# অসম বিধান সভা

## উত্তৰ দানৰ তাৰিখ – ১৪/০৭/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং : ১৩০**

বিষয় : **“স্বজল মিত্ৰ”ৰ চাকৰি নিয়মীয়াকৰণ সম্পৰ্কে।**

বিধায়ক : **শ্ৰী আফতাব উদ্দিন মোল্লা:**

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

**(ক)** জল জীৱন মিছনৰ অধীনত সমগ্ৰ অসমৰ লগতে বিশেষকৈ জলেশ্বৰ সমষ্টিটোত বৰ্তমানলৈকে কিমান গৰাকী “স্বজল মিত্ৰ”ক নিয়োগ কৰা হৈছে আৰু এতিয়াও কিমান নিয়োগ কৰিবলগীয়া আছে?

**(খ)** এজন “স্বজল মিত্ৰ”ই মাহত মাত্ৰ ৭৫০০/- টকা মাননী লাভ কৰি এটা পৰিয়াল পোহ-পাল দিয়াটো অত্যন্ত কষ্টকৰ সেয়েহে চৰকাৰৰ মাননি বৃদ্ধিৰ কিবা পৰিকল্পনা আছে নেকি?

**(গ)** এই সকল কৰ্মীৰ দীৰ্ঘদিনীয়া অভাৱ অভিযোগ আৰু ভৱিষ্যতৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে? যদি লৈছে, তথ্য সহকাৰে জনাব।

**<u>উত্তৰ</u>**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

**(ক)**আজিলৈকে সমগ্ৰ অসমত মুঠ ২০,২৮৫ জন স্বজল মিত্ৰ নিযুক্ত কৰা হৈছে। বিশেষকৈ জলেশ্বৰ সমষ্টিত মুঠ ২৮৯টা আঁচনিৰ ভিতৰত ২৭৩ জন স্বজল মিত্ৰ নিযুক্ত কৰা হৈছে আৰু অৱশিষ্ট ১৬টা আঁচনিত স্বজল মিত্ৰ নিযুক্ত কৰা বাকী আছে।

**(খ)**উক্ত বিষয়ত চৰকাৰে বৰ্তমানলৈকে কোনো পৰিকল্পনা হাতত লোৱা নাই । কিন্তু প্ৰযোজ্য নিৰ্দেশনা অনুসৰি ৰাজহুৱা পানী যোগান আঁচনি (PWSS)-ৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণ (O&M)ৰ বাবে হিতাধিকাৰীৰ পৰা সংগ্ৰহ কৰা শুল্কৰ সৰ্বাধিক ২৫ শতাংশ পৰ্যন্ত স্বজল মিত্ৰসকলে লাভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

তদুপৰি ৩১/০৭/২০২৫ তাৰিখে গৃহীত মন্ত্ৰী পৰিষদৰ সিদ্ধান্ত অনুসৰি মৃত্যুবৰণ কৰা স্ব-জল মিত্ৰৰ নিকটতম আত্মীয়ক (Next of Kin), ৫.০০ লাখ টকাৰ এককালীন আৰ্থিক সাহায্য (Ex-Gratia Assistance) প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

**(গ)** স্বজল মিত্ৰ সকলক পানী উপভোক্তা সমিতিয়ে নিযুক্তি দিয়ে। স্বজল মিত্ৰ সকলৰ নিযুক্তি যিহেতু স্বেচ্ছামূলক, সেয়েহে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা তেওঁলোকৰ নিযুক্তিৰ বিষয়ে বিবেচনা কৰা হোৱা নাই।